# সামাজিক শিক্ষাত শংকৰদেৱৰ অৱদান ঃ এক বিশ্লেষণাত্মক অধ্যয়ন

জয়জ্যোতি ডেকা
*গৱেষক ছাত্র, কটন বিশ্ববিদ্যালয়*

**সংক্ষিপ্তসাৰ ঃ** বৰ্তমান আমাৰ সমাজত দেখা দিয়া নৈতিকতাহীনতা, উশৃংখলতা, সাম্প্ৰদায়িকতাবাদ, হিংসা, অসত্য, বিলাসিতা, ধৰ্মৰ গোড়ামি, বিষয়সুখৰ প্ৰতি অতি আসক্তি আদি বিভিন্ন অশান্তি সৃষ্টিকাৰী বিষয়বোৰ আঁতৰাই এখন সুস্থ, নিকা সমাজ প্ৰতিষ্ঠা কৰাটো সম্ভৱপৰ, একমাত্ৰ শংকৰদেৱৰ আদৰ্শৰেহে। সমাজত সুখ-শান্তি প্ৰতিষ্ঠাৰ কাৰণে গুৰুজনাই আমাক কি শিক্ষা দি গৈছে সেই সম্পৰ্কে এই গৱেষণা পত্ৰত বিশ্লেষণাত্মক পদ্ধতিৰে আলোচনা কৰাৰ প্ৰয়াস কৰা হ'ব।

বীজ শব্দৰাজি ঃ শংকৰদেৱ, সমাজ, শিক্ষা।

**প্ৰস্তাৱনা**

পৃথিৱীত যেতিয়া ধৰ্মৰ গ্লানি হয় আৰু অধৰ্মই প্ৰভাৱ বিস্তাৰ কৰে তেতিয়াই একো একোজন মহাপুৰুষৰ আৱিৰ্ভাৱ হয়। যি সময়ত অসমৰ ধৰ্মীয় অধঃপতনৰ এক বিশৃংখলতাপূৰ্ণ পৰিস্থিতিত সমাজ জীৱন বিভ্ৰান্ত আৰু অধঃপতিত হৈছিল, অস্পৃশ্যতাৰ মহাব্যাধিয়ে সমাজ ছানি ধৰিছিল, সেই সময়তে অসমত অন্ধকাৰ, কু সংস্কাৰ, অনাচাৰ, ব্যভিচাৰ আদিত নিমজ্জিত লোক সমাজক উদ্ধাৰ কৰাৰ নিমিত্তে মহাপুৰুষ শংকৰদেৱৰ আৱিৰ্ভাৱ হয়। গুৰুজনাৰ আৱিৰ্ভাৱৰ সন্দৰ্ভত মহামানৱ মহাত্মা গান্ধীয়ে কৈছিল ঃ "মই যি ধৰ্মক অৱলম্বন কৰি ৰামৰাজ্য স্থাপনৰ কল্পনা কৰিছিলো, তাতোকৈ সুন্দৰ আদৰ্শ শংকৰদেৱে দি গৈছে, মই মাথোঁ অনুশীলনহে কৰিছোঁ"।

গুৰুজনাই ধৰ্ম-সংস্কৃতিৰ দ্বাৰা জাতি-বৰ্ণৰ বিভেদ দূৰ কৰি সকলোৰে মাজত সম্প্ৰীতিৰ এখন আদৰ্শ সমাজ প্ৰতিষ্ঠা কৰি গৈছিল। গুৰুজনাই ধৰ্মীয়-জীৱন, সামাজিক-জীৱন, ভাষা-সাহিত্য-সংস্কৃতিৰ সকলোতে নৱ ৰসৰ সৃষ্টি কৰি থৈ গৈছিল। যদিও সাম্প্ৰতিক কালত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ চমকপ্ৰদ অগ্ৰগতিৰ ফলত নানা আৱিষ্কাৰে বিশ্ববাসীৰ জীৱনৰ গতি সলনি কৰি তুলিছে। মানুহৰ মাজত অন্যায়-অবিচাৰ, হিংসা-দ্বেষে ছানি ধৰিছে। ইয়াৰ দ্বাৰা জীৱজগতৰ মাজত মৃত্যুৰ বীজ ৰন্ধ্ৰে ৰন্ধ্ৰে বিয়পি পৰিছে, জীৱই জীয়াই থকাৰ তাড়ণাত, খাদ্য অন্বেষণত বিপথে

গতি কৰাত ব্যস্ত হৈ পৰিছে। পশ্চিমীয়া সংস্কৃতিৰ আৰ্হি লৈ নিজৰ জাতীয় বৈশিষ্ট্যসমূহ জলাঞ্জলি দি 'মানৱতাবোধ' হেৰুৱাই পেলাইছে। গাওঁ, নগৰ, চহৰ আদিৰ অলিয়ে-গলিয়ে পাশ্চাত্য সংস্কৃতিয়ে গা কৰি উঠিছে। গতিকে এনে লোক সমাজক সংস্কাৰৰ বাটেৰে বাট বুলাবলৈ শংকৰদেৱে প্ৰদান কৰি থৈ যোৱা শিক্ষা বৰ্তমান সময়ত প্ৰাসংগিক।

**অধ্যয়নৰ উদ্দেশ্য**

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে জগতবাসীৰ মংগলৰ অৰ্থে প্ৰদান কৰা শিক্ষাৰ সামগ্ৰিক আলোচনা কৰাটোৱেই এই গৱেষণা পত্ৰৰ প্ৰধান উদ্দেশ্য। এই আলোচনাই বৰ্তমান সমাজ ব্যৱস্থাত শংকৰদেৱে প্ৰদান কৰা শিক্ষাৰ প্ৰাসংগিকতা তথা গুৰুত্ব কোনখিনিত? সেই সম্পৰ্কেও সম্যক ধাৰণা প্ৰদান কৰিব।

**অধ্যয়নৰ পদ্ধতি**

অধ্যয়ন কৰ্মটি সমীক্ষাত্মক পদ্ধতিৰে আগবঢ়াবলৈ প্ৰয়াস কৰা হৈছে। সামাজিক শিক্ষাত শংকৰদেৱৰ অৱদানৰ সমীক্ষাতে এক বিশ্লেষণাত্মক আলোচনা যুগুত কৰা হৈছে।

**অধ্যয়নৰ পৰিসৰ আৰু সামগ্ৰী**

'সামাজিক শিক্ষাত শংকৰদেৱৰ অৱদান ঃ এক বিশ্লেষণাত্মক অধ্যয়ন' শীৰ্ষক বিষয়টি এক ব্যাপক বিষয়। সেয়েহে অধ্যয়নৰ প্ৰতি দৃষ্টি ৰাখি আমি এই গৱেষণা পত্ৰৰ পৰিসৰৰ ভিতৰত সামাজিক শিক্ষাৰ ক্ষেত্ৰত শংকৰদেৱে প্ৰদান কৰা কেইটিমান দিশৰ কথাহে ইয়াত আলোচনা কৰা হ'ব।

অধ্যয়ন কৰ্মটিৰ উৎস (Source) হিচাপে মূল গ্ৰন্থসমূহৰ লগতে প্ৰাসংগিক গ্ৰন্থসমূহৰো সহায় লোৱা হৈছে। আনহাতে তথ্য আহৰণৰ সহায়ক সামগ্ৰী হিচাপে সংগৃহীত সমলৰ ক্ষেত্ৰত কাগজ কলম অপৰিহাৰ্য।

**বিষয়বস্তুৰ বিশ্লেষণ**

**সামাজিক শিক্ষাত শংকৰদেৱৰ অৱদান**

শিক্ষাৰ দ্বাৰা জ্ঞান আহৰণ কৰাটো হ'ল জীৱিকাৰ সম্বল, কিন্তু নৈতিক চৰিত্ৰ হ'ল জীৱনৰ সম্বল। নৈতিক আৰু আধ্যাত্মিক ভাৱনাসমূহ জাগ্ৰত কৰাৰ লগতে সমাজত কল্যাণৰ বাবে জীৱনটো নিয়োজিত কৰিব পাৰিলেহে জীৱনৰ সৌন্দৰ্য উপলব্ধি কৰিব পাৰি। নৈতিক আৰু আধ্যাত্মিক উৎকৰ্ষ সাধনৰ অবিহনে সমাজত কেতিয়াও শান্তি স্থাপন হ'ব নোৱাৰে। গতিকে সাম্প্ৰতিক কালত নৱ প্ৰজন্মৰ মাজত আধ্যাত্মিক চিন্তা-চৰ্চাৰ অংকুৰণ ঘটাই, মানসিক দৃঢ়তা আনিব পাৰিলেহে সমাজৰ পৰা হতাশাগ্ৰস্ততা আৰু কৰ্মবিমুখতা দূৰ কৰিব পৰা যাব। আৰু এই যি মানসিক দৃঢ়তা তাক অনাৰ মূল মাধ্যম হ'ল - শংকৰদেৱৰ দ্বাৰা প্ৰৱৰ্তিত শিক্ষা বা আদৰ্শ। সমাজত সুখ-শান্তি প্ৰতিষ্ঠাৰ কাৰণে গুৰুজনাই আমাক কি শিক্ষা দি গৈছে, সেই সম্পৰ্কে আমি যদি এখন তালিকা যুগুত কৰো, তেন্তে তলত উল্লেখ কৰা দিশকেইটা পাওঁ—

(১) মানৱ প্ৰেম (২) ধৰ্ম নিৰপেক্ষতা (৩) শ্ৰেণীহীন সমাজ (৪) আধ্যাত্মিক শিক্ষা (৫) ভক্তিবাদ (৬) নৈতিকতা (৭) ধৰ্মৰ সৰলতা (৮) অতি আশা বা লোভ বৰ্জন (৯) শাৰীৰিক শিক্ষা (১০) সহজ-সৰল জীৱন (১১) বিষয় সুখ পৰিহাৰ (১২) কৃষ্টি-সংস্কৃতি আৰু ভাস্কৰ্য (১৩) আৰ্থিক দিশৰ প্ৰতি সচেতনতা (১৪) যুক্তিবাদ বা বৈজ্ঞানিক দৃষ্টিভংগী

**১) মানৱ প্ৰেম**

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ দ্বাৰা প্ৰচাৰিত ভক্তি ধৰ্মৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হ'ল— অন্তৰ্নিহিত মামনৱতাবাদ। সকলো ধৰ্মৰ মূল উদ্দেশ্য হ'ল মানৱপ্ৰেম বা মানৱসেৱা। মানৱসেৱাৰ উপৰিও জগতৰ সকলো প্ৰাণীকে সম দৃষ্টিৰে চাবলৈ তেওঁ আহ্বান কৰিছে। প্ৰাণী মাত্ৰে কোনো ভেদ-ভাৱ নাৰাখি সকলোৰে উপকাৰ সাধন কৰিলে বৈকুণ্ঠত স্থান পাই বুলি কৈছে—

"জগতৰ পূণ্যমানে আনা নিষ্ঠ কৰি

প্ৰাণী উপকাৰৰ অল্পকো নুহি সৰি
হেন জানি প্ৰাণীক অভয় দিয়া দান
বোলা হৰি হৰি পাইক বৈকুণ্ঠ থান"।

আজি আমাৰ মাজত সৎ চৰিত্ৰবান ব্যক্তিৰ অভাৱ হোৱাৰ কাৰণে আমি বহুতেই স্বাৰ্থপৰ হৈ পৰিছো আৰু পৰস্পৰৰ প্ৰতি থাকিব লগীয়া মৰম স্নেহৰ আঁতডাল চিগি যোৱাৰ উপক্ৰম হৈ সমাজত ভাই-ভাইৰ মাজতে নানা অশান্তিৰ সূত্ৰপাত হোৱা পৰিলক্ষিত হওঁ। কিন্তু গুৰুজনাই আজিৰ পৰা প্ৰায় পাঁচশ বছৰৰ আগতে সাহিত্যৰ মাধ্যমেদি আধ্যাত্মিক সাম্যবাদৰ নীতি দেখুৱাই লিখি থৈ গৈছিল—

"সমস্ত প্ৰাণীক দেখিবেক আত্মসম
উপায় মধ্যত ইটো অতি মুখ্যতম
কুকুৰ শৃগাল গদৰ্ভৰো আত্মাৰাম
জানিবা সবাকো পৰি কৰিবা প্ৰণাম।"

গুৰুজনাৰ এনে ভাৱ-ধাৰাই এনে হিংসা, ঈৰ্ষা, স্বাৰ্থপৰতা, অহংকাৰ ভাৱ মানৱ মনৰ পৰা সহজে দূৰ কৰি মানুহ আদি সকলো জীৱৰ প্ৰতি মৰম-স্নেহ, সহানুভূতি ভাৱ আদি জগাই তোলে। এনে আদৰ্শই অস্পৃশ্যতা আৰু ভেদা-ভেদ ভাৱ দূৰ কৰি সকলোৰে মনত মানৱ প্ৰেমৰ ভাৱ জগাই তুলিব পাৰে। ভক্তিবাদত জাত-পাতৰ বিচাৰ গুৰুজনাৰ সহ্য নহৈছিল। সকলোকে একশৰণ নাম ধৰ্মত বিনাদ্বিধাই আঁকোৱালি ল'বলৈ দীক্ষা দি সকলোৰে মাজত ঐক্য, শান্তি আনিবলৈ সক্ষম হৈছিল। ভক্তিৰ জাত-ভেদ নিৰপেক্ষতাৰ সম্পৰ্কত ভাগৱতৰ দশম স্কন্ধত তেওঁ এনেদৰে কৈছে—

"সিটো চাণ্ডালৰ জিহ্বাৰ আগত
হৰি গুণ নাম বীজে
তাপ তপ জপ যজ্ঞ হোম দান
জানা প্ৰতি নিতে সিজে।।"
"কুকুৰকো খায় হেন সেজু সবো
হৰি নাম লৰে মাত্ৰ
এতেকে তেখনে সিজবো হোৱয়
যতও কৰিবাৰ পাত্ৰ।"

## ২) শ্ৰেণীহীন সমাজ

শ্ৰেণীহীন সমাজ একোখনহে সমভাৱে সকলোকে উন্নতিৰ জখলাত আগুৱাই নি শান্তি বিৰাজ কৰোৱাৰ মূল চাবি-কাঠি। সেয়েহে আমাৰ সমাজত বসবাস কৰা বিভিন্ন, ধৰ্মাৱলম্বী লোকৰ মাজত যাতে কোনো বিভেদ ভাব নাথাকে, সকলো এক পৰমপিতা পৰমেশ্বৰৰ সন্তান আৰু সমাজত শ্ৰেণীহীন সমাজ একোখনেহে যে ধৰ্ম ধৰি ৰাখিব পাৰে বা সমাজত শান্তি-সম্প্ৰীতি বিৰাজ কৰিব পাৰে, সেই কথা গুৰুজনাই বিশ্বাস কৰিছিল কাৰণে কায়স্থ, ব্ৰাহ্মণ, কলিতা আদি উচ্চ বৰ্ণৰ হিন্দুসকলৰ মাজত নৱ বৈষ্ণৱ ধৰ্ম প্ৰৱৰ্তন কৰাৰ উপৰিও অসমীয়া কৃষ্টি, সংস্কৃতি প্ৰাণকেন্দ্ৰ নামঘৰত একেখন মজিয়াতে গাৰোৰ গোবিন্দ আতৈ, মিৰিৰ জয়হৰি আৰু পৰমানন্দ, নগাৰ নৰোত্তম, মুছলমানৰ ছান্দখাঁ আদিক গুৰুজনাই ধৰ্মৰ দীক্ষা দিছিল। আনহাতে বৈষ্ণৱ কন্যা ৰাধিকাৰ হতুৱাই টেম্বুৱানি জান বন্ধাই সতীত্বৰ মাহাত্ম্য দেখুৱাই শান্তি উপাধি প্ৰদান কৰি উচ্চ শ্ৰেণী বা অভিজাত্য দেখুওৱাসকলৰ অহংকাৰ খৰ্ব কৰিছিল। ভকতসকলক যোগ্যতা অনুসৰিহে বিচাৰ কৰিছিল। জাত-কূলৰ উচ্চ-নীচক লৈ বিচাৰ কৰা নাছিল। এনেদৰে গুৰুজনাই বিভিন্ন সম্প্ৰদায় আৰু জনগোষ্ঠীৰ মাজত সদ্ভাৱ, সংহতি আনিবলৈ সক্ষম হৈছিল। জনজাতিসকলে বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰাৰ পাছত জনজাতিসকলৰ ধৰ্মৰ প্ৰতি বিশ্বাস আৰু সংস্কৃতিৰ ক্ষেত্ৰত যে কিছু পৰিৱৰ্তন হ'ল, এই কথা সকলোৰে স্বীকাৰ নকৰি নোৱাৰে। একশৰণ বৈষ্ণৱ ধৰ্মতে কোনো উচ্চ-নীচ ভাৱ, উচ্চ-নীচ জাতি নাই। মানুহৰ মাজত কোনো বৈষম্য নাই। ব্ৰাহ্মণ-চণ্ডাল, ধনী-দুখীয়া, সৰু-ডাঙৰ, সুন্দৰ-অসুন্দৰ, মহাজন-চাকৰ, কৃষক-মজদুৰ আদি সকলোৰে মাজত সমান মৰ্যাদা। সেয়েহে গুৰুজনাই কৈছে —

" ব্ৰাহ্মণৰ চাণ্ডালৰ নিবিচাৰি কুল।
দাতাত চোৰত যাৰ দৃষ্টি এক তুল।।
নীচত সাধুত যাৰ ভৈল এক জ্ঞান।
তাহাকেসে পণ্ডিত বুলিয় সৰ্বজন।। "

মহাপুৰুষৰ এই বাণী সুস্থ-সবল জাতি গঠন আৰু ঐক্য,শান্তি, সংহতিৰ কাৰণে এক উল্লেখযোগ্য সামাজিক শিক্ষা। জাত-কুল বিচাৰিলে কি হয় সেই কথাও তেৰাই 'ভক্তি প্ৰদীপ'ত কৈছে—

" জাতি কূল বিচাৰিয়া বৈব নিন্দয়।
পঞ্চ ম পাতকি হুয়া নৰকে পৰয়।। "

৩) **ভক্তিবাদ**

বিশ্বাস,শ্ৰদ্ধা,সন্মান,প্ৰেমৰ যি সমাহাৰ তাকেই ভক্তি বোলা হয়। ভক্তিৰ অবিহনে আমি গুণী জ্ঞানী হ'ব নোৱাৰো। ভক্তিয়ে মানুহক সত্যবাদী, সৎ চৰিত্ৰবান, বিশ্বাসী আৰু প্ৰকৃত জ্ঞান আহৰণত অৰিহণা যোগায়। ভক্তিৰ অবিহনে মানৱ জীৱনত সুখ-শান্তি আহিব নোৱাৰে। আমি ঈশ্বৰ প্ৰাপ্তি বা মুক্তি লাভ কৰিবলৈ হ'লে ভক্তি নহ'লেই নহ'ব। এই ভক্তিবাদৰ জোৱাৰ নাম ধৰ্মত তুলিছিল শ্ৰীমন্ত শংকৰদেৱে। ডাঙৰক, গুৰুজনাক কেনেকৈ শ্ৰদ্ধা-ভক্তি কৰিব লাগে, মানৱ সেৱাই ঈশ্বৰ সেৱা, এই শিক্ষা গুৰুজনাই আমাক দি গৈছে। এই ভক্তি হ'ব লাগে নিষ্কাম। ফলৰ কোনো আশা নকৰি মুক্তিৰ প্ৰতি সম্পূৰ্ণ উদাসীন হৈ ভক্তি কৰিব লাগে। শ্ৰীমন্ত শংকৰদেৱৰ মতে- ভক্তিয়েই মুক্তিৰ একমাত্ৰ পথ। হৃদয়ত ভক্তিৰ অবিহনেজ্ঞান লাভ কৰি মুক্তি পাব নোৱাৰে। সেয়ে তেওঁ নৱবিধ ভক্তিৰ ভিতৰত অতি সহজ শ্ৰৱণ-কীৰ্তনকে কলি যুগত শ্ৰেষ্ঠ বুলি ঘোষণা কৰি ইয়াৰ জৰিয়তে মুক্তিৰ পৰম পথ কিদৰে পাব পাৰি সেই কথা অৱগত কৰিছে।

৪) **ধৰ্মৰ সৰলতা**

ধৰ্ম হ'ল অনুভৱৰ বস্তু। শৰীৰ, মন আৰু আত্মাৰ সংযোগত যি জাগৰণ হয় সেয়েই হ'ল ইয়াৰ মূল ভেঁটি আধ্যাত্মকি চেতনা। ব্যৱহাৰিক জীৱনত মানুহৰ জীৱিত কালত সকলো দিশ জ্ঞান-বুদ্ধিৰে চালিজাৰি চাই গ্ৰহণ কৰাকে ধৰ্ম বোলে। ইয়াৰ দ্বাৰাইহে মানুহৰ আধ্যাত্মিক আৰু নৈতিকতাৰ দিশত উৎকৰ্ষ সাধন হয়। ধৰ্মৰ উপাদানবিলাক হ'ল - সত্য, প্ৰেম, দয়া, কৰুণা, সহানুভূতি, মানৱতাবোধ আদি। আনহাতে ধৰ্মৰ দিশ দুটা হ'ল - নৈতিক আৰু আধ্যাত্মিক। নৈতিকতাই মানুহৰ সৈতে সম্পৰ্ক নিৰ্ণয় কৰে আৰু আধ্যাত্মিকতাই আত্মাৰ সৈতে পৰমাত্মাৰ সম্পৰ্ক স্থাপন কৰে। ব্যক্তি আৰু সমাজৰ বাবেই ধৰ্মৰ প্ৰয়োজন। ধৰ্মৰ সৰলতাৰ অবিহনে বৰ্তমান কলিযুগত সমাজৰ প্ৰকৃত সুখ-শান্তি হ'ব নোৱাৰে। শংকৰদেৱে যাগ-যজ্ঞ, পূজা-পাতলৰ আড়ম্বৰপূৰ্ণ ব্যৱস্থাৰ পৰিৱৰ্তে পৃথিৱীৰ যিকোনো দেশৰ যিকোনো মানুহেই সকলো কাৰ্য সিদ্ধি হয় বুলি কৈ গৈছে। সেয়ে হয়তু নামঘোষাত মাধৱদেৱে লিখিছে—

হৰি নাম কীৰ্তনত নাহি দেশ কাল পাত্ৰ
নিয়ম সংযত একো বিধি
হৰিত শৰণ লৈয়া কেৱল হৰিৰ নাম
কীৰ্তন কৰন্তে হোৱে সিদ্ধি।

বহু দেৱ-দেৱীক পূজা নকৰি মাত্ৰ এজনকহে ভক্তিভাৱেৰে উপাসনা কৰিবলৈ কৈছে। একমাত্ৰ ভগৱান কৃষ্ণৰ শৰণ লৈ ভক্তি কৰিলে বহুতে ভবাৰ দৰে অন্য দেৱ-দেৱী কেতিয়াও অসন্তুষ্ট নহয় ; বৰং সন্তুষ্টহে হয়। পৃথককৈ পূজিলেহে একো নাপায় বুলি কৈছে। সেয়ে হয়তু দশম স্কন্ধ ভাগৱতত এই সম্পৰ্কে কৈছে —

"কৃষ্ণক পূজিলে সমস্তৰে পূজা হয়।
পৃথকে পূজিলে পূজা কেহো নাপাবয়।।"

৫) **ধৰ্ম নিৰপেক্ষতা**

ধৰ্মনিৰপেক্ষতা হ'ল এক বিশ্বজনীন ঐতিহাসিক প্ৰক্ৰিয়া। সকলো ধৰ্মৰ প্ৰতি সমান ভাৱ দেখুওৱা বা আনৰ ধৰ্মক নিন্দা নকৰাই হৈছে ধৰ্ম নিৰপেক্ষতা। ধৰ্ম নিৰপেক্ষতা মানে ধৰ্মৰ প্ৰতি নিৰোৎসাহ হ'ব নোৱাৰে। ধৰ্ম নিৰপেক্ষতা মনোভাৱ বিভিন্ন ধৰ্মাৱলম্বী লোকৰ মাজত গঢ়ি নুঠিলে সমাজত শান্তি-শৃংখলা কেতিয়াও প্ৰতিষ্ঠা হ'ব নোৱাৰে। শঙ্কৰদেৱে কৈছে–

"পৰৰ ধৰ্ম্মক নিহিংসিবা কদাচিত।"

### ৬) আধ্যাত্মিক দিশ

মানুহৰ আধ্যাত্মিক দিশৰ উৎকৰ্ষ সাধন নহ'লে মানুহ শিক্ষিত আৰু প্ৰকৃত জ্ঞানী হ'ব নোৱাৰে। মানুহৰ পূৰ্ণ বিকাশ হ'বলৈ আধ্যাত্মিক দিশৰ উন্নতি নহ'লেই নহ'ব। সেই কাৰণে মূল উদ্দেশ্য হৈছে শাৰীৰিক,মানসিক আৰু আধ্যাত্মিক দিশৰ উন্নতি সাধন কৰা ভগবানৰ প্ৰতি নিয়মীয়া উপাসনাৰ যোগেদিহে আমাৰ মন-প্ৰাণ ভগবানৰ প্ৰতি অগাধ বিশ্বাস আৰু সৎ কৰ্মৰ প্ৰতি প্ৰেৰণা লাভ কৰিব পাৰো।

প্ৰকৃততে আধ্যাত্মিকতা হ'ল ঈশ্বৰমুখী অথবা গুৰুমুখী জ্ঞান। অৰ্থাৎ ভোগ বিলাসী মনক গুৰুমুখী কৰিব পৰাটোৱেই হ'ল আধ্যত্মিক জ্ঞান, ধৰ্মৰ দ্বাৰা আজিৰ যুৱ সমাজ অনুশাসিত নোহোৱাৰ ফলত সমাজ জীৱনত এক গভীৰ সংকটে আগুৰি ধৰিছে। এইটো তথাকথিত সত্য যে বৰ্তমান সমাজত যেতিয়ালৈকে আধ্যাত্মিক সৌন্দৰ্যবোধ উপলব্ধি কৰিব নোৱাৰি, তেতিয়ালৈকে কোনো ধৰণৰ আনুষ্ঠানিক বা বৃত্তিগত শিক্ষাই মানৱীয় প্ৰমূল্যবোধৰ জন্ম দিব নোৱাৰে। আধ্যাত্মিক চিন্তাইহে মানুহৰ হৃদয়ত ভক্তিভাৱৰ উদ্ৰেক ঘটায়। এই কথা সত্য যে হতাশা, নিৰাশা, আত্মহনন আদি কাৰ্যৰে সমাজৰ সমস্যা কেতিয়াও সমাধান নহয়, বৰঞ্চ গভীৰ ধ্যান-ধাৰণা, চিন্তা-চৰ্চা, ধৈৰ্য, কৌশল অধ্যয়ন তথা ঐকান্তিক ভাৱেৰেহে সমাধান কৰিব পৰা হ'ব।

এখন সুস্থ সমাজ গঢ়ি তুলিবলৈ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ প্ৰচাৰিত একশৰণ হৰিনাম ধৰ্মৰ মতাদৰ্শ গ্ৰহণ কৰাটো নিতান্ত প্ৰয়োজন হৈ পৰিছে। নমৰ পৰা আত্মগৌৰৱ, অহঙ্কাৰ আদি বেয়া ভাৱবোৰ আঁতৰ কৰি ইজনে সিজনক ভাল পাবলৈ, আত্মজ্ঞান লাভ কৰিবলৈ শিকনি ল'ব লাগিব। মহাপুৰুষজনাৰ নীতি-আদৰ্শ আদি সৎ বাণী, গুণবোৰ প্ৰতিষ্ঠা কৰি সমাজখনক উদ্ধাৰ কৰাৰ দায়িত্ব গ্ৰহণ কৰিব লাগিব। জাতি-জনজাতি সকলোকে আকোঁৱালি লৈ একতাৰ ডোলেৰে বান্ধ খুৱাই ধৰাৰ বুকুত এক মহান সাম্যৰাজ্য প্ৰতিষ্ঠাৰ বাবে সচেষ্ট হ'ব লাগিব। একশৰণ হৰিনাম ধৰ্মইহে আমাৰ সমাজক এক সঠিক পথৰ সন্ধান দিব পাৰিব, প্ৰকৃত মানুহ হ'বলৈ শিকাব।

প্ৰাণী মাত্ৰেই একেই ঈশ্বৰৰ সন্তান— এই আধ্যাত্মিক চেতনা জনমানসত প্ৰচাৰ কৰিলে মানসিক দুঃচিন্তা আঁতৰ কৰিব পৰা যাব, সেয়েহে শাস্ত্ৰত কৈছে—

সমস্তৰে আত্মা নাৰায়ণ
আত্মা সুখে ৰতি সৰ্বক্ষণ
এই হেতু হৰি সমস্ত প্ৰাণীত যম।

### ৭) নৈতিকতা

মানুহৰ সামাজিক জীৱনৰ অতি মূল্যৱান দিশ হ'ল নৈতিকতা। গুৰুজনাই প্ৰৱৰ্তন কৰা ধৰ্মৰ মূল ভেঁটি হ'ল নৈতিকতা। যি আজিৰ সমাজত অতিব প্ৰযোজন। আধ্যাত্মিকতাইহে নৈতিক চৰিত্ৰৰ উৎকৰ্ষ সাধন কৰিব পাৰে। শিষ্টাচাৰ হ'ল নৈতিক চৰিত্ৰৰ আধাৰ। সজ চৰিত্ৰ বা সংস্কৃতিয়েই সজ আচৰণৰ আধাৰ। সজ আচৰণেহে মানুহক সুন্দৰ কৰে আৰু আনৰ প্ৰিয়পাত্ৰ কৰি তোলে। এনে সজ আচৰণ বিলাক হ'ল—

#### ক) অহিংসা

শংকৰদেৱৰ নৈতিক শিক্ষাৰ অন্যতম বৈশিষ্ট্য হ'ল অহিংসা। অনৰ্থক জীৱ হত্যা বা জীৱৰ অনিষ্ট সাধন কৰাটো ধৰ্মবিৰোধী বুলি তাৰাই গণ্য কৰিছিল। সকলো জীৱ-জন্তু ঈশ্বৰৰ অংশ বুলি তাৰাই কৈছিল—

"যত জীৱ জঙ্গম, কীত পতঙ্গম
অগ নগ জগ তেৰি কায়া" (বৰগীত)

আনকি আমাৰ দেহৰ ক্ষতিসাধন কৰি থকা অৰ্থাৎ তেজ পি থকা মহ-ডাঁহ আদিক নামাৰিবৰ বাবে ভাগৱতত শংকৰদেৱে কৈছে—

"জস মহ মাখি জোক পোক পৰুৱাৰ
ঈশ্বৰে নিৰ্ম্মিল বৃত্তি ৰুধিকে আহাৰ
পিয়ন্তে গাৱৰ তেজ তাক যিটো মাৰে
পৰে সিটো নৰ অন্ধ কূপ অন্ধকাৰে। "

খ) **বিনয়ী**

শংকৰদেৱ এগৰাকী ডাঙৰ বিপ্লৱী হৈয়ো তেওঁ আছিল বিনয়ী। তেওঁ কৈছিল ঃ "জ্ঞানী সাধুলোক, ক্ষমিয়োক মোক, সাধুৰ ক্ষমাসে সাৰ"— গুৰুজনাৰ এনে উক্তিয়ে বিনয়ী হ'বলৈ আমাক নিশ্চয় অনুপ্ৰেৰণা যোগায়।

গ) **অতিথিপৰায়ণতা**

অসমীয়া মানুহৰ অতিথি পৰায়ণতা এটা অতি মহৎ গুণ। অতিথিপৰায়ণতাই মানুহক আপোনভাৱ জগাই তোলে। এই অতিথিপৰায়ণ গুণে আমাক গুৰুজনাই কেতিয়াবাই দি থৈ গৈছে। গুৰুজনাই অষ্টম স্কন্ধৰ অমৃত মন্থনত কৈছে—

"যদি মহা শত্ৰু আসি হোৱয় অতিথি।
দেৱ যেন মানি তাক কৰিবা ভকতি।।
পূৰ্ব গুণ দোষ কিছু নকৰি বিচাৰ।
হেনসে শাস্ত্ৰৰ নয় ধৰ্ম্ম ব্যৱহাৰ।। "

আকৌ যিসকলে অতিথিক দেখি চকু পকোৱা চাৰনিৰে চায় বা আলহী আহিলে ভাল নাপায়, তেনে লোকৰ কি অৱস্থা হয় সেই সম্পৰ্কে ভাগৱতৰ ষষ্ঠ স্কন্ধত শ্ৰীশংকৰদেৱে কৈছে—

"অতিথিক দেখি যিটো চক্ষু পকাই চাৱে।
ঠাই নাই বুলি চল চল বুলি ধাৱে।।
বজ্ৰদন্ত কাকে ভুঞ্জে চক্ষুক উভাৰি।
কঙ্ক বঙ্ক পদ্ধে উদৰৰ দোৱে নাড়ী।। "

ঘ) **সুৰাপান**

সুৰাপানে আজিৰ সমাজখনক কলুষিত কৰি নানা অশান্তি আৰু অৰ্থক্ষতি কৰি আহিছে। সুৰাপান কৰোতাৰ কেনে দশা হয়, এই সম্পৰ্কে অনাদি পাতনত শংকৰদেৱে কৈছে—

"হিয়াত জান্তিয়া তাক দূতে চিত কৰি।
অগ্নিময় লোহাক পিয়াৱে মুখ ভৰি।।"

শংকৰদেৱে আকৌ কৈছে—

"স্ত্ৰী, মদ্য, মাংস সেৱাৰ কথা।
কৈ মৰে কৰে জন্মক বৃথা।।"

ঙ) **শাসকৰ কৰ্তব্য**

জনসাধাৰণৰ প্ৰতি বা প্ৰজাৰ প্ৰতি শাসকৰ কৰ্তব্য আৰু দায়িত্ব কেনে হোৱা উচিত এই সম্পৰ্কে শংকৰদেৱে অজামিল উপাখ্যানত কৈছে যে - "শাসকে প্ৰজাৰ বা শাসিতৰ প্ৰতি নিজৰ পুত্ৰৰ দৰে জ্ঞান কৰি শান্তিত ৰাখিব লাগে। শত্ৰুৰপৰা দুৰ্বলী প্ৰজাক সকলো ফালৰ পৰা ৰক্ষণা-বেক্ষণ দি শান্তিত ৰখাৰ ব্যৱস্থা কৰিব লাগে। আনকি শাসকে শক্তি প্ৰয়োগ কৰি হ'লেও প্ৰজাক সহায় কৰিব লাগে। ৰাজনীতিত বিশেষকৈ শাসকৰ কাৰণে ই এটা ভাল নিদৰ্শন গুৰুজনাই আমাক দি গৈছে।

চ) **স্বামী-স্ত্ৰীৰ মাজত সম্পৰ্ক**

অজামিল উপাখ্যানত স্বামী-স্ত্ৰীৰ মাজত যি মধুৰ সম্পৰ্ক থাকিব লাগে বা স্বামীৰ প্ৰতি স্ত্ৰীৰ যি মহান দায়িত্ব আৰু কৰ্তব্য, ঠিক সেইদৰে পতিব্ৰতা স্ত্ৰীৰ প্ৰতি স্বামীৰ যি দায়িত্ব আৰু কৰ্তব্য, এই বিষয়ে খুব ভালদৰে উল্লেখ কৰিছে। স্বামী বিপদত পৰিলে ধৈৰ্য ধৰিবলৈ স্ত্ৰীয়ে সাহস দিয়া, স্ত্ৰীয়ে নিজে কষ্ট ভোগ কৰি হ'লেও স্বামীক যিকোনো বিপদৰ পৰা ৰক্ষা কৰা, স্বামীৰ সুখত সুখী হোৱা আৰু স্বামীৰ দুখত দুখী হোৱাই পতিব্ৰতা নাৰীৰ প্ৰধান কৰ্ম। ঠিক সেইদৰে পতিব্ৰতা স্ত্ৰীক স্বামীয়ে এনে জ্ঞান কৰিব লাগে - কৰ্মৰ সময়ত মন্ত্ৰী, ৰং-ধেমালিৰ সময়ত প্ৰাণৰ সখী, মৰম-স্নেহৰ সময়ত মাতৃৰ নিচিনা আৰু শয়নৰ সময়ত দাসী। এই বাণীয়ে স্বামী-স্ত্ৰীৰ মাজত সুখ-শান্তি বিৰাজ কৰাত যথেষ্ট সহায় কৰিব।

৮) **অতি আশা বা লোভ বৰ্জন**

মানুহক আশাবাদী প্ৰাণী বুলি কোৱা হয় যদিও অধিক আশা বা লোভ কৰিলে তাৰ ফল হিতৰ বিপৰীতে হয়। আজিৰ সমাজৰ অধিকাংশ লোকেই অতি আশাবাদী হোৱাৰ কাৰণে তেনে লোক কেতিয়াও কোনো পৰিস্থিতিতেই সুখী হ'ব বা শান্তিত থাকিত নোৱাৰে।

জীৱনত যি পায় তাকে গ্ৰহণ কৰি সন্তোষ লভিব নোৱাৰে, তেনে লোকে পৃথিৱীৰ সৰহখিনি ধন-সম্পত্তি, ঐশ্বৰ্য-বিভূতি পায়ো মনত শান্তি নাপায়। সেই কাৰণে যিসকলৰ পুত্ৰ, ভাৰ্যা, ধন, সোণ আদিৰ প্ৰতি আসক্তি বেছি, সেইসকলে জীৱনত সুখী নোহোৱাই নহয়, ঈশ্বৰ প্ৰাপ্তিতো ব্যৰ্থ হয়।

সেই কাৰণে অৰ্থই যেনেকৈ সকলো মূল, ঠিক সেইদৰে অনেক সময়ত 'অৰ্থই অনৰ্থৰ মূল' হোৱাটো আচৰিত কথা নহয়।

৯) **শাৰীৰিক শিক্ষা**

মানসিক উৎকৰ্ষ সাধনৰ লগে লগে শংকৰদেৱে শাৰীৰিক উৎকৰ্ষ সাধনৰ ক্ষেত্ৰতো বহুতো নীতি-নিয়ম তথা আচাৰ আদি জনহিতাৰ্থে প্ৰদান কৰিছিল। শৰীৰ চৰ্চা কৰি দেহ আৰু মনক সুস্থ সবল কৰি ৰাখিছিল বাবেই হয়তু তেওঁ ছয়কুৰি বছৰ সুদীৰ্ঘ কাল জীয়াই থকাৰ উপৰিও সুন্দৰ দৈহিক অৱয়ৱৰ অধিকাৰী হ'বলৈ সক্ষম হৈছিল। তেওঁ সৃষ্টি কৰি থৈ যোৱা মাটি আখৰাসমূহৰে আজি আধুনিকতম ৰূপ হ'ল— নৱ প্ৰজন্মৰ মাজত ব্যাপকভাৱে প্ৰভাৱ বিস্তাৰ কৰা শৰীৰ চৰ্চাৰ মাধ্যম জিম্।

১০) **বিষয় সুখ পৰিহাৰ**

বিষয় সুখত আসক্ত হৈ প্ৰথমে যি সুখ পোৱা যায়, সেই সুখ পাছত কি হয় সেই সম্পৰ্কত শংকৰদেৱে ভাগৱতৰ ষষ্ঠ স্কন্ধত কৈছে—

"যেন বিষলতা ছয় পল ফুলে
আছে জকমক কৰি।
প্ৰথমে সুন্দৰ দেখন্তে পাছত
পৰশিলে যায় মৰি।।" ইত্যাদি।

পুত্ৰ, ভাৰ্যা, ধন-বিত এইবোৰ মৰিলে লগত নাযায়। কিন্তু—

"হৰিৰ ভকতি পৰম সম্পত্তি
ইহ পৰলোকে পায়।"

নাৰীৰ মায়াৰ পৰা আঁতৰত থাকিবলৈ কীৰ্ত্তনৰ হৰমোহনত কৈছে—

"ঘোৰ নাৰী মায়া সৰ্ব মায়াতে কুৎসিত
মহাসিদ্ধ জ্ঞানীৰো কটাক্ষ হৰে চিত।।
দৰশনে কৰে মহা যোগ সিদ্ধি ভঙ্গ।
জানি এৰে জ্ঞানী গণে কামিনীৰ সঙ্গ।।"

১১) **আৰ্থিক দিশৰ প্ৰতি সচেতনতা**

সমাজ বা দেশৰ উন্নতিৰ মূল আধাৰ হ'ল অৰ্থনীতি। সেই কাৰণে অৰ্থনীতিয়েই সমাজৰ মেৰুদ্দন্ধ। সমাজৰ প্ৰতিজন লোকৰে আৰ্থিক দিশ সবল নহ'লে সমাজৰ সামূহিক উন্নতি, সমাজত প্ৰকৃত সুখ-শান্তি কেতিয়াও আহিব নোৱাৰে। সেই কাৰণে সমাজৰ প্ৰতিজন ব্যক্তিয়েই স্বাৱলম্বী হৈ নিজৰ অৰ্থনৈতিক উন্নতি সবল কৰি দুখ, কষ্ট, অশান্তিৰ পৰা হাত সাৰিব পাৰে, তাৰ বাবে শ্ৰীমন্ত শংকৰদেৱে কুটীৰ শিল্প, বিশেষকৈ হস্ত শিল্পৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছিল। সেই সময়ত বিভিন্ন সম্প্ৰদায়ৰ মাজৰ পৰা কুমাৰ, কমাৰ, বাঢ়ৈ, খনিকৰ আদিৰ সৃষ্টি হৈছিল। যিসকলে নিজৰ শ্ৰমৰ বিনিময়ত জীৱিকাৰ পথ উলিওৱাৰ লগতে কৃষ্টি-সংস্কৃতিৰ বিকাশত অৰিহণা যোগাইছিল। তদুপৰি হাঁহ, পাৰ, গৰু, ছাগলী আদি পোহপাল দি নিজৰ অৰ্থনৈতিক দিশ টনকিয়াল কৰাত গুৰুত্ব দিয়ে। স্বাস্থ্য হানিকৰ, সামাজিক সুস্থ পৰিৱেশ নষ্ট কৰিব পৰা, ঘৰুৱা অৰ্থনৈতিক অৱস্থাৰ ক্ষতিসাধন কৰা বৰবিহ মদ, ভাং, কানি আদি নিচাযুক্ত বস্তুবোৰ ত্যাগ কৰিবলৈ আৰু ভোগবিলাসত নিমজ্জিত হৈ নিজৰ জীৱন নিস্ফল নকৰিবলৈ গুৰুজনাই কৈ গৈছে।

"স্ত্ৰী, মদ্য, মাংস সেৱাৰ কথা।
কৈ মৰে কৰে জন্ম বৃথা।।
হেন জানি বিষয়ক হয়োক বিমুখ।
পশু শৰীৰতো পায় বিষয়ৰ সুখ।।"

কৃষিৰ ক্ষেত্ৰত শংকৰদেৱে গুৰুত্ব দিছিল। বৃন্দাবনৰ পৰা কদমৰ গুটি আনি বৰদোৱাত গজাইছিল আৰু পিছত পুৰণি পাটবাউসীলৈ নি ৰুইছিল। আৰু

আনকো এনে বনৌষধি গছ ৰুবলৈ শিক্ষা দিছিল। টেম্বুৱানীজানত বান্ধ দি বানপানীৰ পৰা কৃষক ৰাইজক উপকৃত কৰিছিল।

### ১২) কৃষ্টি-সংস্কৃতি আৰু ভাস্কৰ্য

মানৱ জাতিৰ জীৱনৰ প্ৰণালীয়ে হৈছে কৃষ্টি। মানুহৰ জীৱনৰ লগত সংস্কৃতিৰ সম্বন্ধও অতি ঘনিষ্ঠ। এখন দেশৰ একোটা জাতিৰ কৃষ্টি, সংস্কৃতি আৰু ভাস্কৰ্য হ'ল সেই দেশৰ আৰু জাতিৰ চানেকি। যিখন দেশৰ কৃষ্টি, সংস্কৃতি আৰু ভাস্কৰ্য যিমানেই উন্নত সেই দেশ সিমানেই আগবঢ়া। অৰ্থাৎ কৃষ্টি, সংস্কৃতি আৰু ভাস্কৰ্যৰ অবিহনে আমি উন্নতিৰ জখলাত কেতিয়াও আগুৱাব নোৱাৰো। অসমৰ কৃষ্টি,সংস্কৃতিৰ ক্ষেত্ৰত শ্ৰীমন্ত শংকৰদেৱে যি অৱদান দিলে,তাক অসমীয়া জাতিয়ে কেতিয়াও কোনো কালে পাহৰিব নোৱাৰে। শ্ৰীমন্ত শংকৰদেৱক মানৱ সংস্কৃতিৰ ৰূপকাৰ বুলি ক'ব পাৰি। তাৰা একেধাৰে সাহিত্যিক, নাট্যকাৰ, সুৰকাৰ, শিল্পী, গীতিকাৰ, অভিনেতা, বাদ্যবিশাৰদ, যন্ত্ৰশিল্পী, খনিকৰ, স্থাপত্যবিদ, দাৰ্শনিক আৰু ঈশ্বৰভক্ত আদি বহুমুখী প্ৰতিভাৰে এজন অদ্বিতীয় মহাপুৰুষ। পৃথিৱীৰ অন্য ধৰ্মৰ যিকোনো মহাপুৰুষৰ গাতেই এই আটাইবোৰ গুণ একেলগেপোৱা নাযায়। সেই কাৰণে শ্ৰীমন্ত শংকৰদেৱতকৈ সৰ্বশ্ৰেষ্ঠ গুণৱন্ত মহাপুৰুষৰ আবিৰ্ভাৱ নোহোৱাৰ কাৰণেই শংকৰদেৱ 'জগতগুৰু' হিচাপে আজি বিশ্বত সু-পৰিচিত।

### ১৩) যুক্তিবাদ বা বৈজ্ঞানিক দৃষ্টিভংগী

আমাৰ সকলো চিন্তা, ভাৱনা, কৰ্ম যুক্তিসঙ্গত বা বৈজ্ঞানিক দৃষ্টিকোণৰ পৰা সমৰ্থযোগ্য নহ'লৈ তেনে চিন্তা-ভাৱনা বা কৰ্মৰ পৰা কেতিয়াও সুফলৰ আশা কৰিব নোৱাৰি। অৰ্থাৎ, অবৈজ্ঞানিক আৰু যুক্তিহীন চিন্তা ভাৱনা অধোন্নতি বা অশান্তিৰ মূল উৎস বুলিব পাৰি। সেই কাৰণে ধৰ্মৰ ক্ষেত্ৰটো আচাৰ, বিচাৰ, প্ৰচাৰ আদি বৈজ্ঞানিক দৃষ্টিভঙ্গীয়ে বা যুক্তিযুক্ততাৰে গ্ৰহণ কৰিব লাগে। কাৰণ ধৰ্মক বাদ দি বিজ্ঞান কেতিয়াও আগবাঢ়িব নোৱাৰে। আনহাতে বিজ্ঞানক বাদ দি ধৰ্ম হ'ব নোৱাৰে। অৰ্থাৎ, ধৰ্ম আৰু বিজ্ঞানৰ নিবিড় সম্পৰ্ক আছে। এটাক বাদ দি আনটো খোৱা আৰু অন্ধৰ দৰে। শংকৰদেৱৰ অতুলনীয় অৱদান নামঘৰৰ পৰা আৰম্ভ কৰি খোন-তাল, শৰাই-সঁফুৰা, মাহ-প্ৰসাদ, আসন-ভূষণ, ধৃতি-নীতি, শিক্ষা-দীক্ষা, আহাৰ-বিহাৰ, সেৱা-শুশ্ৰূষা, মাত-কথা আদি বিভিন্ন দিশত বিজ্ঞানৰ যুক্তিযুক্ততা যথেষ্ট পৰিমাণে আছে। আনকি বিজ্ঞানৰ অণু-পৰমাণু বৈজ্ঞানিকসকলে সোতৰ শতিকাতহে আৱিষ্কাৰ কৰিছিল যদিও শংকৰদেৱে আজিৰ পৰা প্ৰায় পাঁচশ বছৰৰ আগতে এই শব্দ দুটা ব্যৱহাৰ কৰিছিল। মুঠতে শ্ৰীশঙ্কৰদেৱৰ একশৰণ নামধৰ্মৰ প্ৰতিটো কথা যুক্তিসমৃদ্ধ আৰু বিজ্ঞানসন্মত।

### উপসংহাৰ

আমাৰ আলোচনাত সামাজিক শিক্ষা প্ৰদানৰ ক্ষেত্ৰত শংকৰদেৱৰ অৱদান সম্পৰ্কে কিছু সংক্ষিপ্ত ধাৰণা আগবঢ়োৱা হ'ল। এই ধাৰণাৰ পৰা আমি এই সিদ্ধান্তত উপনীত হ'ব পাৰো যে - আমাৰ গুৰুজনাই যি সামাজিক শিক্ষা প্ৰদান কৰি থৈ গৈছে তথা গুৰুজনাৰ জীৱনৰ যি মহান আদৰ্শ, সেই আদৰ্শৰেহে আমাৰ সমাজত সকলো দিশৰ পৰা শান্তি প্ৰতিষ্ঠা কৰি সুস্থ সবল সমাজ এখন গঢ় দিব পৰাটো সম্ভৱপৰ। কাৰণ সমাজ বা দেশ একোখন সৰ্বটো দিশত উন্নতি কৰিবলৈ হ'লে সামাজিক শিক্ষাৰ প্ৰয়োজনীয়তা অতি বেছি। গুৰুজনাৰ আদৰ্শই হৈছে সামাজিক শিক্ষাৰ ভেটি স্বৰূপ।

### গৱেষণা পত্ৰখনিৰ উৎস

১) ডিব্ৰুগড় মানকটা ৰ'ডৰ হাতীমূৰা নামঘৰত যোৱা ১৯/১২/২০২১ তাৰিখে আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ পীতাম্বৰ দেৱ গোস্বামীদেৱৰ আমন্ত্ৰণত সেই সময়ত তেওঁ এই বিষয়ক দিশ ভাষণৰ লগতে এই অনুষ্ঠানতে আমন্ত্ৰিত অতিথি হিচাপে অহা ড° কৰবী ডেকা হাজৰিকা বাইদেউৰে দিয়া বক্তব্যও সেই সময়ত কৰি থোৱা টোকাৰ শৃংখলাবদ্ধ ৰূপেই আজি "সামাজিক

শিক্ষাত শংকৰদেৱৰ অৱদান ঃ এক বিশ্লেষণাত্মক অধ্যয়ন"।

২) ২০২২ বৰ্ষৰ ফেব্ৰুৱাৰী মাহৰ ২৫, ২৬ আৰু ২৭ তাৰিখে ডিব্ৰুগড়ৰ নাহৰকটীয়াৰ কলিয়াপানীত বাগ্মীবৰ ককা নীলমণি ফুকন সমন্বয় ক্ষেত্ৰত হোৱা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯১ সংখ্যক বাৰ্ষিক অধিৱেশনত বিভিন্ন জনে দিয়া বিভিন্ন বিষয়ক ভাষণৰ (মূলতঃ পদাধিকাৰ কমলাকান্ত গগৈ বাপজনাৰ লগতে সম্পাদক বাবুল বৰা, গৱেষণা পত্ৰিকা 'মহাপুৰুষৰ জ্যোতি'ৰ উন্মোচক ড° পৰমানন্দ সোণোৱাল আৰু 'শংকৰী সংস্কৃতিৰ সুবাস' গ্ৰন্থৰ উন্মোচক ড° শশীকান্ত শইকীয়াদেৱৰ বক্তৃতা) সৰোদ্ধাৰ কৰি তাৰ জুমুঠিটো ইয়াত তুলি ধৰা হৈছে।

৩) গৱেষণা পত্ৰখনৰ বিষয়-বস্তুৰ লগত সংগতি ৰাখি মাজে মাজে নামঘোষা, কীৰ্ত্তন, ভাগৱতৰ পৰা যিবোৰ উদ্ধৃতি ইয়াত তুলি ধৰা হৈছে, সেয়া আমাৰ নিজৰ কিছু সীমিত সংখ্যক জ্ঞানৰ পৰিসৰৰ লগতে বহুক্ষেত্ৰত আমাক সহায় কৰিছে মোৰ নিজা বাইদেউ (নয়নমণি ডেকা)ৰ শহুৰ দেউতা হেমচন্দ্ৰ গগৈ ডাঙৰীয়াই।

৪) 'নৈতিকতা'ৰ ভিতৰত আমি যি 'স্বামী-স্ত্ৰীৰ মাজত সম্পৰ্ক' শিতানটো ভাগ কৰিছোঁ তাৰ মূল হৈছে আমাৰ নিজা বাইদেউৰ বিবাহত হোৱা বিধিপাঠ অনুষ্ঠানত চন্দন কোঁৱৰ বাপ জনাই প্ৰদান কৰা বুজনি।

৫) 'শাৰীৰিক শিক্ষা' নামৰ বিভাগটোৰ জুমুঠি অনা হৈছে ইতিমধ্যে 'অসম আদিত্য' কাকতত প্ৰকাশিত আমাৰ এটি প্ৰবন্ধ 'শংকৰদেৱৰ দৃষ্টিত স্বাস্থ্যবিধি, ভাইৰাছ প্ৰতিৰোধ আৰু বৰ্তমান অসমত ইয়াৰ বৈজ্ঞানিক প্ৰাসংগিকতা'ৰ পৰা।

**সহায়ক গ্ৰন্থপঞ্জী**


১) গগৈ, লীলা ঃ *অসমৰ সংস্কৃতি*, বনলতা, ডিব্ৰুগড়, দ্বাদশ সংস্কৰণ, ২০১৯।

২) চলিহা, ভৱপ্ৰসাদ (সম্পাদক) ঃ *শংকৰী সংস্কৃতি অধ্যয়ন*, মাতৃ অফছেট,গুৱাহাটী,তৃতীয় প্ৰকাশ, ২০১১।

৩) বেজবৰুৱা, লক্ষ্মীনাথ ঃ *শ্ৰীশ্ৰী শংকৰদেৱ আৰু শ্ৰীশ্ৰী মাধৱদেৱ*, জ্যোতি প্ৰকাশন, গুৱাহাটী, মুদ্ৰিত, ১৯৯৭।

৪) নেওগ, মহেশ্বৰ ঃ *শ্ৰীশ্ৰী শংকৰদেৱ*, চন্দ্ৰপ্ৰকাশ, গুৱাহাটী, ১৯৪৯।

৫) নেওগ, মহেশ্বৰ (সম্পাদক) ঃ *গুৰু চৰিত কথা*, গুৱাহাটী বিশ্ববিদ্যালয়, ১৯৮৬ ।

৬) শইকীয়া, নগেন ঃ *বিষয় শংকৰদেৱ*, কৌস্তুভ প্ৰকাশন, ডিব্ৰুগড়, ২০১১।